# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 12-11-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

কাইলৈ পুৱা সাত বজাৰ পৰা ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিয়লি ৫ বজালৈকে চলিবলগীয়া এই ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ভোটগ্ৰহণকাৰী দলসমূহ ইতিমধ্যে নিজ নিজ ভোটগ্ৰহেণ কেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ব্যাপক হিংসাত্মক ঘটনা সংঘটি হোৱা চামগুৰি বিধানসভা সমষ্টিৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। স্পৰ্শকাতৰ বুলি চিহ্নিত আন চাৰিটা সমষ্টিৰো ভোটগ্ৰহণ কেন্দ্ৰসমূহত সশস্ত্ৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি নিৰ্বাচন নিৰ্বিঘ্নে অনুষ্ঠিত কৰাৰ বাবে ভ্ৰাম্যমাণ আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে ভোটগ্ৰহণ কেন্দ্ৰসমূহত তহল দিব।

চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিত মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৰত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিত ১১ গৰাকী, চিদলীত ৩ গৰাকী, বিহালীত ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে এইবাৰ শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

০০০০০

বিশিষ্ট নাট্যকাৰ, পৰিচালক ঋতুপৰ্ণ দাসৰ **কুৰুক্ষেত্ৰ** নামৰ নাটখন আকাশবাণীৰ অখিল ভাৰতীয় নাট্যানুষ্ঠানলৈ নিৰ্বাচিত হৈছে। অহা ১৭ নৱেম্বৰৰ নিশা চাৰে ৯ বজাত আকাশবাণী দিল্লী কেন্দ্ৰৰ পৰা হিন্দীত আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা অসমীয়াৰ লগতে দেশৰ ৫৯১টা আকাশবাণী কেন্দ্ৰৰ পৰা অন্যান্য ২১টা আঞ্চলিক ভাষাত একে সময়তে সম্প্ৰচাৰ হ'ব। আকাশবাণী গুৱাহাটীৰ নাট বিভাগৰো বিষয়া ঋতুপৰ্ণ দাসে তেওঁৰ এই সফলতা সম্পৰ্কত এইদৰে কয়-

**বাইট (ঋতুপৰ্ণ দাস)**

০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে আজি ঘোষণা কৰা হৈছে। আজি বিয়লি অসম সাহিত্য সভাৰ গুৱাহাটীৰ

ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন বৈঠকৰ সামৰণিত সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই সভাপতি পদৰ বাবে উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চূড়ান্ত কৰা এই পাঁচজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। তেওঁলোক হৈছে- অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা সাহিত্যিক বসন্ত কুমাৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড০ গোবিন্দ প্ৰসাদ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, গৱেষক ড০ উপেন ৰাভা হাকাচাম, প্ৰথিতযশা ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড০ ভীমকান্ত বৰুৱা।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অসম সাহিত্য সভাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে উপ-সভাপতি পদত ড০ বিপিন চন্দ্ৰ কলিতা, পদুম ৰাজখোৱা আৰু চহিৰ ভূঞা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। প্ৰধান সম্পাদকৰ পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু সঞ্জীৱ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

সমাপ্ত